**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2024
**Time :** 1910 Hrs.

***AssameseEvening Bulletin***

**Headlines**

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে।

২। এই পৰ্যায়ত সামৰি লোৱা ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টিত বিয়লি ৫ বজালৈ সামগ্ৰিকভাৱে প্ৰায় ৬২ শতাংশ ভোটদান হোৱা বুলি জানিব পৰা গৈছে। শেহতীয়া তথ্য অনুসৰি অসমত ৭১ দশমিক ৩-৯ শতাংশ ভোটদান হৈছে।

৩। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰিছে।

৪। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, বিজেপি চৰকাৰ যোৱাটো দশকত দুৰ্নীতিমুক্ত হৈ ৰ'ল আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে এই চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে। দুই-এটা বিক্ষিপ্ত ঘটনাৰ বাহিৰে ভোটগ্ৰহণ প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে। প্ৰাৰম্ভিক তথ্য অনুসৰি এই পৰ্যায়ত সামৰি লোৱা ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টিত বিয়লি ৫ বজালৈ সামগ্ৰিকভাৱে প্ৰায় ৬২ শতাংশ ভোটদান হোৱা বুলি জানিব পৰা গৈছে।

অসমত ৭১ দশমিক ৩-৯, মণিপুৰত ৬৮ দশমিক ৬-২, ছিকিমত ৬৮ দশমিক শূন্য-৬, বিহাৰত ৪৬ দশমিক ৩-২ , ছত্তিশগড়ত ৬৩ দশমিক ৪-১, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৫-৪, মহাৰাষ্ট্ৰত ৫৪ দশমিক ৮-৫ আৰু ৰাজস্থানত ৫০ দশমিক ২-৭, অৰুণাচল প্ৰদেশত ৬৪ দশমিক ৯-১, মেঘালয়ত ৬৯ দশমিক ৯-১, মিজোৰামত ৫৩ দশমিক ৯-৬, নাগালেণ্ডত ৫৬ দশমিক ৬-৪, ত্ৰিপুৰাত ৭৯ দশমিক ৮-৩ আৰু পশ্চিম বংগত ৭৭ দশমিক ৫-৭ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

অসমত শেহতীয়া তথ্য অনুসৰি বিয়লি ৫ বজা পৰ্যন্ত প্ৰায় ৭১ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত ভোটদাতাসকলে উৎসাহ উদ্দীপনাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। ৰাজ্যখনত প্ৰথম পৰ্যায়ত সামৰি লোৱা ৫টা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা ৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪ গৰাকী মহিলা প্ৰাৰ্থী। ইয়াৰ ভিতৰত ৩ গৰাকীয়ে কাজিৰঙা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে আন এগৰাকীয়ে শোণিতপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰিছে।

বিয়লি ৫ বজালৈ লাভ কৰা তথ্য অনুসৰি **শোণিতপুৰ** সমষ্টিত ৬৯ দশমিক ৮-৪ শতাংশ, **কাজিৰঙা** সমষ্টিত ৬৮ দশমিক ৯-০ শতাংশ, ডিব্ৰুগড় লোকসভা সমষ্টিত ৭০ দশমিক ৬-৫ শতাংশ, লখিমপুৰ সমষ্টিত ৬৮ দশমিক ৩-৪ শতাংশ আৰু যোৰহাটত ৭৬ দশমিক ২-০ শতাংশ ভোটদান সম্পূৰ্ণ হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কামাখ্যা প্ৰসাদ তাছা, ৰণজিৎ দত্ত, লুৰিণজ্যোতি গগৈ, গৌৰৱ গগৈ, তপন কুমাৰ গগৈকে ধৰি কেইবাগৰাকীও আগশাৰী নেতাৰ ৰাজনৈতিক ভাগ্য আজি ই ভি এমত বন্দী হৈছে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈ, গৌৰৱ গগৈ, ডিব্ৰুগড় সমষ্টিৰ সৰ্বানন্দ সোণোৱাল, লুৰিণজ্যোতি গগৈকে ধৰি কেইবাগৰাকীও আগশাৰীৰ

নেতাই আজি পুৱাৰ ভাগত নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰত ভোটদান কৰে।

প্ৰথম পৰ্যায়ত মুঠ ভোটদাতাৰ সংখ্যা ১৬ কোটি ৬৩ লাখ। ইয়াৰে ভিতৰত ৪ কোটি ৪০ লাখ পুৰুষ, ৮ কোটি ২৩ লাখ মহিলা আৰু ১১ হাজাৰ তৃতীয় লিংগৰ ভোটাৰ আছে। এই পৰ্যায়ত ভোটদান কৰা নতুন ভোটদাতা প্ৰায় ৩৬ লাখ আছে বুলি জানিব পৰা গৈছে।

লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণো সম্পন্ন হৈছে। শেহতীয়া তথ্য অনুসৰি অৰুণাচল প্ৰদেশ বিধানসভা নিৰ্বাচনত ৬৬ দশমিক ৯-৪ আৰু ছিকিমত ৬৭ দশমিক ৯-৫ শতাংশ ভোটদান হৈছে।

0000000

তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন  দাখিল প্ৰক্ৰিয়াৰ  সামৰণি পৰিছে। মনোনয়ন দাখিলৰ অন্তিম দিনা আজি গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ পূৰ্বে খানাপাৰাত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। বিজেপি প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত আয়োজিত জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, অগপ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতা প্ৰমুখ্যে কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। ইপিনে, বৰপেটা লোকসভা সমষ্টিৰ চি পি আই এম প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ পূৰ্বে বৰপেটা পৌৰ সভাৰ খেলপথাৰত অনুষ্ঠিত এখন জনসভাত উদ্ধৱ বৰ্মন, হেমেন দাসসহ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। বৰপেটা লোকসভা সমষ্টিৰ বাবে মুঠ ১৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সৈতে সংগতি ৰাখি কেইবাগৰাকী প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা তথা সমদলৰ আয়োজন কৰা হয়। অসম তৃণমূল কংগ্ৰেছে আজি বৰপেটাৰ বাবে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে। দলটোৰ ৰাজ্যিক সভাপতি ৰিপুণ বৰাই জিলা কাৰ্যালয়ত ইস্তাহাৰ মুকলি কৰি সমষ্টিটোৰ বিকাশৰ বাবে ৯টা বিষয় অন্তৰ্ভুক্ত কৰা হৈছে বুলি সদৰি কৰে। কোকৰাঝাৰ সমষ্টিৰ বিপিএফ প্ৰাৰ্থী খাম্ফা বৰগয়াৰীয়েও আজি মনোনয়ন পত্ৰ দাখিল কৰে।

0000000

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি দেশৰ ২১ খন ৰাজ্যৰ ১০২ খন আসনৰ বাবে অনুষ্ঠিত ভোটগ্ৰহণৰ জৰিয়তে কেইবাগৰাকীও উল্লেখযোগ্য ৰাজনীতিকৰ ভাগ্য ইভিএমত বন্দী হৈছে। ইয়াৰে ভিতৰত নাগপুৰ লোকসভা সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, ডিব্ৰুগড় লোকসভা সমষ্টিত সৰ্বানন্দ সোণোৱাল, পশ্চিম অৰুণাচল লোকসভা সমষ্টিত  কিৰেণ ৰিজিজু, বিকানেৰ লোকসভা সমষ্টিত অৰ্জুন ৰাম মেঘৱাল, হৰিদ্বাৰত উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ত্ৰিবেন্দ্ৰ সিং ৰাৱাট, পশ্চিম ত্ৰিপুৰা লোকসভা সমষ্টিত বিপ্লৱ কুমাৰ দেৱ, নাইনিতাল-উধমসিং নগৰ লোকসভা সমষ্টিত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অজয় ভাটে প্ৰতিদ্বন্দ্বিতা কৰিছে। তদুপৰি কইম্বটুৰ লোকসভা সমষ্টিত তামিলনাডু বিজেপিৰ ৰাজ্যিক সভাপতি কে আন্নামলাই, দক্ষিণ চেন্নাই লোকসভা সমষ্টিত তেলেংগানাৰ প্ৰাক্তন ৰাজ্যপাল ড০ তামিলীসাই সৌন্দৰাজন, ৰামনাথপুৰম লোকসভা সমষ্টিত তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অ' পনিৰচেলৱাম, মধ্য প্ৰদেশৰ ছিণ্ডৱাড়া লোকসভা সমষ্টিত কংগ্ৰেছ নেতা কমল নাথৰ পুত্ৰ নকুল নাথে প্ৰতিদ্বন্দ্বিতা কৰিছে।

0000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, বিজেপি চৰকাৰ যোৱাটো দশকত দুৰ্নীতিমুক্ত হৈ ৰ'ল আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে এই চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আজি তেলেংগানাৰ ছিকন্দৰাবাদত আজি এখন নিৰ্বাচনী সভাত শ্ৰী সিঙে কংগ্ৰেছ ক্ষমতালৈ আহিলেই দুৰ্নীতিত লিপ্ত হয় বুলি দলটোক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, কংগ্ৰেছ দল আওপুৰণি হৈ পৰিছে আৰু দেশৰ ৰাজনীতিত নিজৰ প্ৰাসংগিকতা হেৰুৱাই পেলাইছে। বিজেপিয়ে অকল ক্ষমতা লাভৰ বাবে নহয় বৰং ৰাষ্ট্ৰ গঠনৰ হকে ৰাজনীতি কৰে বুলিও নেতাগৰাকীয়ে দাবী কৰে।

কংগ্ৰেছ আৰু বিআৰএচ দলক সমালোচনা কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে তেলেংগানাৰ শাসকীয় দলটোৰ, পূৰ্বৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণ নকৰাকৈ ভোট বিচৰাৰ নৈতিক অধিকাৰ নাই। শ্ৰী সিঙে কয় যে, নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ ৭ বছৰৰ ভিতৰতে দেশ বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰূপে পৰিগণিত হৈছে। বিজেপিয়ে অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণ, সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ আৰু তিনি তালাক প্ৰথাৰ বিলুপ্তিৰ দৰে সকলো প্ৰতিশ্ৰুতি পূৰণ কৰিছে বুলি নেতাগৰাকীয়ে মন্তব্য কৰে। নাগৰিকত্ব সংশোধনী আইন সম্পৰ্কীয় অভিযোগ অগ্ৰাহ্য কৰি শ্ৰী সিঙে কয় যে, এই আইনৰ অধীনত দেশৰ সংখ্যালঘু সম্প্ৰদায়সমূহে নাগৰিকত্ব হেৰুৱাবলগীয়া নহয়।

ooooo

সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱে এন ডি এ চৰকাৰে খেতিয়কসকলৰ কল্যাণৰ হকে চিন্তা নকৰাৰ অভিযোগ উত্থাপন কৰিছে। আজি উত্তৰ প্ৰদেশৰ নয়দাৰ এটা নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰি শ্ৰীযাদৱে কয় যে, যদি আই এন ডি আই আৰু সমাজবাদী পাৰ্টিৰ মিত্ৰজোঁট ক্ষমতালৈ আহে, তেন্তে তেওঁলোকে খেতিয়কসকলৰ বাবে ন্যূনতম সমৰ্থন মূল্যৰ বাবে আইনী নিশ্চয়তা সুনিশ্চিত কৰিব। সমাজবাদী পাৰ্টিয়ে সদায় উত্তৰ প্ৰদেশৰ সৰ্বাংগীণ বিকাশৰৰ বাবে কাম কৰি আহিছে বুলিও শ্ৰী যাদৱে মন্তব্য কৰে।

ooooooo

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে কৈছে যে, বিজেপিয়ে মুদ্ৰাস্ফীতি আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে প্ৰকৃত বিষয়ৰ পৰা আঁতৰি ফুৰিছে। তেওঁ লগতে দলটোৰ গোপন অভিপ্ৰায় আছে বুলি মন্তব্য কৰিছে। বিহাৰৰ কাটিহাৰত আজি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি নেতাগৰাকীয়ে এইদৰে মন্তব্য কৰে। শ্ৰী খাৰ্গেই কয় যে, তেওঁৰ দলে সংবিধানক ৰক্ষা কৰাৰ বাবে বিভাজনকাৰী শক্তিসমূহৰ বিৰুদ্ধে আহ্বান জনাইছে। তেওঁ কয় যে, বিজেপিয়ে ধনবল আৰু বিধি বলৱৎকাৰী সংস্থাসমূহৰ অপপ্ৰয়োগৰে বিভিন্ন ৰাজ্যৰ নিৰ্বাচিত চৰকাৰক ক্ষমতাচ্যুত কৰিছে।

ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধীৰ দৰে কংগ্ৰেছ নেতাসকলে দেশৰ একতাৰ বাবে নিজৰ প্ৰাণ আহুতি দিছে যদিও বিজেপিৰ তেনে কোনো ইতিহাস নাই বুলি শ্ৰী খাৰ্গেই প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কিষাণগঞ্জত আন এখন সভাত অংশগ্ৰহণ কৰে।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চেন্নাই ছুপাৰ কিংছ ৮ পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৬ পইণ্টেৰে পঞ্চম স্থানত আছে।

ooooooo

ঃসমাপ্তঃ